**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
-----------------------

১। অসমত আজি এক লাখ ৭১ হাজাৰ ৫৯৩ জন হিতাধিকাৰীলৈ প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণ আঁচনিৰ প্ৰথম কিস্তিৰ ধন মুকলি।

২। দেশৰ লগতে ৰাজ্যতো আজিৰে পৰা স্বচ্ছতাই সেৱা অভিযান ২০২৪ আৰম্ভ।

৩। আজিৰে পৰা অষ্টম ভাৰত জল সপ্তাহ, ২০২৪ পালন।

৪। আজি বিশ্ব খনিকৰ শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত পুৱাৰে পৰা ব্যাপক আয়োজন।

৫। এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত চীনৰ মুখামুখি।

০০০০০০

প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণ আঁচনিৰ অধীনত দ্বিতীয় পৰ্যায়ত অসমলৈ অতিৰিক্ত এক লাখ ৭১ হাজাৰ ৫৯৩টা গৃহ আৱণ্টন দিয়া হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত এই আঁচনিৰ জৰিয়তে ৰাজ্যত উন্নয়ন আৰু সমৃদ্ধিৰ দিশত আগুৱাই নিয়াৰ বাবে চলোৱা প্ৰচেষ্টাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জনাইছে। ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত আজি এই আঁচনিৰ অধীনত প্ৰথম কিস্তিৰ ধন মুকলাই দিয়াৰ বাবে ওড়িশাৰ ভূৱনেশ্বৰত কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অসমতো এই আঁচনিৰ অধীনত পৰিয়ালসমূহলৈ গৃহমঞ্জুৰী আৰু প্ৰথম কিস্তিৰ ধন প্ৰদান কৰা হ'ব। আনহাতে হিতাধিকাৰী নিৰ্বাচনৰ সংশোধীত চৰ্তৰ অধীনত এই আঁচনিৰ হিতাধিকাৰী অন্তৰ্ভুক্তিৰ বাবে এটা নতুন জৰিপ সম্পন্ন কৰাৰ উদ্দেশ্যে আৱাচ প্লাছ 2024 নামেৰে এটা নতুন এপো মুকলি কৰা হ'ব। উল্লেখযোগ্য যে অসমত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত চলিত বৰ্ষৰ ১৫ ছেপ্তেম্বৰ পৰ্যন্ত ১৯ লাখ ১৮ হাজাৰ ৭৮৭টা গৃহৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে।

০০০০০০

শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে কালি কোকৰাঝাৰত উপস্থিত হৈ চিৰাং জিলাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আৰু হাইস্কুলৰ প্ৰধান শিক্ষকসকলৰ সৈতে বিটিচি বিধান পৰিষদৰ ভৱনত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত জিলাখনৰ ড্ৰ'প আউট ছাত্ৰ-ছাত্ৰীৰ হাৰ সন্দৰ্ভত আলোচনা কৰাৰ লগতে ড্ৰ'পআউটৰ সংখ্যা কমোৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ডেৰ মাহৰ ভিতৰতে বিটিআৰত হাইস্কুল পৰ্যায়ত এহেজাৰ ৪৬৭ গৰাকী শিক্ষকক নিযুক্তি দিয়া হ'ব শিক্ষামন্ত্ৰী ডা০ পেগুৱে কালি সদৰি কৰে।

আনহাতে শিক্ষামন্ত্ৰীগৰাকীয়ে কালি কোকৰাঝাৰ বালিকা মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত অংশগ্ৰহণ কৰি ৰাজ্যৰ মহাবিদ্যালয় সমূহৰ স্নাতক পাঠ্যক্ৰমত দক্ষতা বিকাশৰ শিক্ষা অন্তৰ্ভুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে

প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি ভাষণ প্ৰদান কৰে। তেওঁ আৰু লগতে চলিত শিক্ষা বৰ্ষৰ পৰা ৰাজ্যৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত সকলো ধৰণৰ দক্ষতা বিকাশৰ পাঠ্যক্ৰম প্ৰৱৰ্তনৰ বিষয়ে উল্লেখ কৰাৰ লগতে নিজৰ দক্ষতা বিকাশ কৰি জীৱন কৌশল আয়ত্ব কৰিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নীত কৰাৰ বাবে ভৈয়াম জনজাতি কল্যাণ বিভাগৰ অধীনত পুঁজি আৱণ্টন দিয়া হ'ব বুলি উল্লেখ কৰে।

০০০০০০

সমগ্ৰ দেশতে আজি স্বচ্ছতাই সেৱা অভিযান ২০২৪ আৰম্ভ হৈছে। এইবাৰৰ এই অভিযানৰ বিষয়বস্তু হৈছে **স্বভাৱ স্বচ্ছতা-সংস্কাৰ স্বচ্ছতা**। এই অভিযান অহা ২ অক্টোবৰলৈকে চলিব। দেশৰ পৰ্যটনস্থলী, ৰাজহুৱা ভৱন, বাণিজ্যিক অঞ্চল, জলাশয়, চিৰিয়াখানা তথা ৰাজহুৱা প্ৰস্ৰাৱগাৰৰ দৰে বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে এই অভিযান চলোৱা হ'ব। উল্লেখযোগ্য যে ২০১৪ চনত আৰম্ভ হোৱা স্বচ্ছ ভাৰত অভিযানে এটা দশক পূৰ্ণ কৰিলে।

ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ সকলো মন্ত্ৰালয়ে দেশজুৰি জনসাধাৰণৰ বাবে স্বচ্ছতাৰ বাবে বিভিন্ন কাৰ্যসূচী আয়োজন কৰিছে। সমাজৰ ভিন্ন দৃষ্টিভংগীৰ আধাৰত তিনিটা মুখ্য দিশক সামৰি চলিত বৰ্ষৰ অভিযান আয়োজন কৰা হৈছে। এই দিশসমূহ হৈছে- স্বচ্ছতা বিশেষ গোটসমূহৰ বাবে শ্ৰমদান কাৰ্যসূচী, স্বচ্ছতাত জনসাধাৰণৰ অংশগ্ৰহণ আৰু ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ। এই অভিযানত দেশজুৰি নাগৰিকসকলকে ধৰি বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান, বেচৰকাৰী সংস্থা, উন্নয়নমূলক সংস্থা, স্থানীয় নগৰীয়া গোটসমূহ, পঞ্চায়ত তথা বিভিন্ন গোটে অংশগ্ৰহণ কৰিব। আনহাতে আজি পুৱাই গুৱাহাটী পৌৰ নিগমৰ উদ্যোগত মহানগৰীৰ গীতা মন্দিৰ চৌহদত **স্বচ্ছ আৰু সেউজ গুৱাহাটী** গঢ়ি তোলাৰ উদ্দেশ্যে আয়োজন কৰা অনুষ্ঠানত ৰাজ্যৰ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে অংশগ্ৰহণ কৰে। **স্বচ্ছতাই সেৱা** অভিযান সম্পৰ্কত মন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

ঃঃ ভইচ ঃঃ

আকাশবাণী গুৱাহাটীয়েও আজিৰে পৰা স্বচ্ছতা সেৱা অভিযানৰ অধীনত চাফাই কাৰ্যসূচী ৰূপায়ণ কৰিব।

ইপিনে, এই উপলক্ষে কালি বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে স্বচ্ছতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। উত্তৰ পূৱ সীমান্ত ৰেলৰে কালি শপত গ্ৰহণ কাৰ্যসূচীৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। উত্তৰ পূৱ সীমান্ত ৰেলৰে মহাপ্ৰবন্ধকৰ পৰিচালনাত বিভাগৰ জ্যেষ্ঠ বিষয়া, কৰ্মচাৰী, বিভিন্ন সংস্থা আৰু একতা সভাৰ প্ৰতিনিধিৰ উপস্থিতিত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। উত্তৰ পূৱ সীমান্ত ৰেলৰেৰ সকলো মণ্ডলতে অনুষ্ঠিত এই কাৰ্যসূচীৰ জৰিয়তে ৰেল বিভাগৰ কৰ্মচাৰী আৰু যাত্ৰীসকলৰ মাজত অনাময়ৰ গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে হাতত লোৱা হৈছে। এই অভিযানত চাফাই মিত্ৰ, অনাময় কৰ্মী আৰু আন আন অংশীদাৰসকলক স্বীকৃতি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

নতুন দিল্লীত আজিৰে পৰা অষ্টম ভাৰত জল সপ্তাহ, ২০২৪ অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰত মণ্ডপমত এই কাৰ্যসূচী উদ্বোধন কৰিব। চাৰিদিনীয়া এই কাৰ্যসূচীত ২০০ গৰাকী বিদেশী প্ৰতিনিধিসহ ৪০ খন দেশৰ প্ৰায় ৪ হাজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। প্ৰদৰ্শনীৰ সময়ছোৱাত ১০০ কৈও অধিক প্ৰদৰ্শক আৰু ষ্টাৰ্টআপে এই ক্ষেত্ৰত নিজ নিজ ভাৱাদৰ্শ প্ৰদৰ্শন কৰিব। এই জল সপ্তাহে বিশ্বৰ বিভিন্ন প্ৰান্তৰ নীতি

নিৰ্ধাৰক, গৱেষক, বিশেষজ্ঞ, উদ্ভাৱক তথা অংশীদাৰসকলক জল ক্ষেত্ৰত নিজ নিজ মতামত আৰু ধাৰণা দাঙি ধৰাৰ এখন মঞ্চ প্ৰদান কৰিব। এই কাৰ্যসূচীৰ বিষয়বস্তু হৈছে 'সৰ্বাত্মক জল উন্নয়ন আৰু ব্যৱস্থাপনাৰ হকে অংশীদাৰিত্ব আৰু সহযোগিতা'। কাৰ্যসূচীৰ সময়ছোৱাত পঞ্চায়তীৰাজ মন্ত্ৰালয়ে সহযোগী মন্ত্ৰালয় হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাভ কৰা উপহাৰসমূহৰ ই-নিলাম আজিৰ পৰা আৰম্ভ হ'ব। কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে জনসাধাৰণক ই-নিলামত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায় কয় যে ই নমামি গংগা পুঁজিলৈ বৰঙণি আগবঢ়াই এটা মহান উদ্দেশ্য সাধন কৰিব। তেওঁ কয় যে এয়া হ'ল এই নিলামৰ ষষ্ঠ সংস্কৰণ। ২০১৯ চনত প্ৰথমবাৰৰ বাবে এই নিলাম অনুষ্ঠিত হৈছিল। আজিৰ পৰা জনসাধাৰণে নিজৰ প্ৰিয় স্মাৰকৰ বাবে নিবিদা জমা কৰিব পাৰিব। অনলাইন নিলামৰ প্ৰক্ৰিয়া ২ অক্টোবৰলৈকে চলিব। আগ্ৰহী লোকসকলে https://pmmementos.gov.in ৱেবছাইটৰ জৰিয়তে এই প্ৰক্ৰিয়াত পঞ্জীয়ন আৰু অংশগ্ৰহণ কৰিব পাৰিব।

শ্ৰীশ্বেখাৱাটে কয় যে এই বছৰ প্ৰায় ছশটা স্মাৰক নিলামৰ বাবে প্ৰদৰ্শন কৰা হৈছে। ইয়াত বচা বচা শিল্পকৰ্ম, নিখুঁতভাৱে নিৰ্মিত মন্দিৰৰ আৰ্হি, হিন্দু দেৱতাৰ মূৰ্তি, পেৰালিম্পিয়ানসকলৰ জোতা আদি অন্তৰ্ভুক্ত কৰা হৈছে।

আজিৰ পৰা ২ অক্টোবৰলৈকে দেশত সেৱা পখোৱাৰা উদযাপন কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই উপলক্ষে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে কলা কৰ্ম, জন শক্তি প্ৰদৰ্শনী আৰু বিষয়ভিত্তিক কলা কৰ্মশালাৰ দৰে কাৰ্যসূচীৰ আয়োজন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

আজি কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্ব খনিকৰ শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি পুৱাৰে পৰা এই পূজাৰ বাবে ব্যাপক আয়োজন কৰা পৰিলক্ষিত হৈছে। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠা, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাবেও বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে পূজাথলীসমহূ আটক ধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাগাৰা নাম, নাম প্ৰসংগ আদিৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে গুৱাহাটী মহানগৰীৰ বজাৰসমূহতো পূজাৰ বাবে প্ৰয়োজনীয় বিভিন্ন সা-সামগ্ৰীৰ পয়োভৰ দেখা গৈছে। মহানগৰৰী কামাখ্যা গে'টত থকা বিশ্বকৰ্মা মন্দিৰতো পূজাৰ আয়োজন কৰা হৈছে। আনহাতে বিশ্বকৰ্মাৰ মৃণ্ময় মূৰ্তি ক্ৰয় কৰিবলৈ মৃৎশিল্পীসকলৰ ওচৰত অগণন লোকে ভিৰ কৰা দেখা গৈছে।

ধুবুৰী জিলাতো উলহ-মালহেৰে বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। জিলাখনৰ বিলাসীপাৰা, গোলকগঞ্জ, গৌৰীপুৰ আদি ঠাইৰ পূজাথলীসমূহ সজাই পৰাই তোলা হৈছে।

০০০০০০

মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰালয়ৰ অধীনৰ মীন বিভাগে জলজ কৃষি পদ্ধতিৰ বিকাশৰ লগতে সমগ্ৰ দেশতে সংহত মীন পালন ব্যৱস্থাৰ প্ৰসাৰৰ বাবে ১০০ দিনীয়া পৰিকল্পনা যুগুত কৰিছে। কালি মন্ত্ৰালয়ে জাৰি কৰা এখন বিবৃতিত এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ অধীনত মীন খণ্ডক

শক্তিশালী কৰাৰ লগতে বহনক্ষম উন্নয়নক ত্বৰান্বিত কৰাৰ বাবে কৌশল যুগুতাই উলিওৱা হৈছে। এই যোজনাৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰামৰ উপৰি দেশৰ কেবাখনো ৰাজ্যত জলজ কৃষি আৰু সংহত মীন পালনক উৎসাহিত কৰাৰ বাবে ৪২ কোটি ৪৩ লাখ টকাৰ অনুমোদন জোনাৱা হৈছে। ইয়াৰ ভিতৰত পাঁচ কোটি ৫০ লাখ টকা উত্তৰ-পূৰৰ এই চাৰিখন ৰাজ্যৰ বাবে ব্যয় কৰা হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেৱছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

২০২৪ বৰ্ষৰ বুকাৰ বঁটাৰ বাবে মনোনীত প্ৰাৰ্থীসকলৰ নাম ঘোষণা কৰা হৈছে। এই তালিকাত প্ৰাক্তন বঁটা বিজয়ী মহিলা এন্নে মাইকেলছ, আমেৰিকাৰ লেখিকা পাৰ্চিভাল এভাৰেট আৰু ব্ৰিটিছ লেখিকা ছামান্থা হাৰ্ভিৰ নাম প্ৰকাশ পাইছে। ৬ জন মনোনীত প্ৰাৰ্থীৰ ভিতৰত ৫ গৰাকী মহিলা লেখিকাই এই বঁটাৰ ৫৫ বছৰীয়া ইতিহাসত সৰ্বাধিক মহিলা নিৰ্বাচিত হৈ প্ৰতিনিধিত্ব কৰিছে।

**হেল্ড** নামৰ কিতাপখনৰ বাবে কানাডাৰ এন্নে মাইকেলছ, **ষ্টোন য়াৰ্ড ডিভ'চনেলৰ** বাবে অষ্ট্ৰেলিয়াৰ চাৰ্লট উড আৰু **দা ছেফ কিপৰ** বাবে নেডাৰলেণ্ডছৰ য়েন ভান ডেৰ উডেনৰ নাম এই তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০

ভাৰত আজি হুলুনবুইৰত হ'বলগীয়া এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত আয়োজক দেশ চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব।

ভাৰতে ছেমি ফাইনেলত কালি দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰে। ভাৰত এই পৰ্যন্ত প্ৰতিযোগিতাখনত অপৰাজিত হৈ আছে। দলটোৱে গ্ৰুপ পৰ্যায়ত চীনক ৩-০, জাপানক ৫-১, মালয়েছিয়াক ৮-১, কোৰিয়াক ৩-১ আৰু পাকিস্তানক ২-১ গ'লত পৰাস্ত কৰিছিল।

আনহাতে, চীন লীগ পৰ্যায়ত ভাৰতৰ উপৰি কোৰিয়া আৰু জাপানৰ বিৰুদ্ধে পৰাজিত হৈছিল।

ভাৰতে ইতিমধ্যে ২০১১, ২০১৬, ২০১৮ আৰু ২০২৩ চনত চাৰিবাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ জয় কৰিছে। ইপিনে চীন প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাৰ খিতাপ জয় কৰাৰ লক্ষ্যৰে আজিৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

oooooo

সৰ্বভাৰতীয় ফুটবল পৰিষদে সন্তোষ কাশ্যপক ভাৰতৰ জ্যেষ্ঠ মহিলা ফুটবল দলৰ নতুন মুখ্য প্ৰশিক্ষক হিচাপে নিযুক্তি দিছে। তেওঁ প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ চাওবা দেৱীৰ ঠাইত দলৰ মুখ্য প্ৰশিক্ষকৰ দায়িত্ব গ্ৰহণ কৰিব। পৰিষদে প্ৰিয়া পি ভিক লগতে সহকাৰী প্ৰশিক্ষক আৰু ৰঘুবীৰ প্ৰবীণ খানোলকাড়ক দলৰ গলৰক্ষকৰ প্ৰশিক্ষক হিচাপে নিযুক্তি দিছে।

ভাৰতীয় দলটোৱে নতুন মুখ্য প্ৰশিক্ষকগৰাকীৰ অধীনত নেপালৰ কাঠমাণ্ডুত ১৭ৰ পৰা ৩০ অক্টোবৰলৈ হ'বলগীয়া ছাফ মহিলা চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিব। এই চেম্পিয়নশ্বিপৰ বাবে প্ৰস্তুতি চলোৱাৰ অৰ্থে ২৯ জনীয়া ভাৰতীয় দলটোৱে ২০ ছেপ্তেম্বৰৰ পৰা গোৱাত এটা শিবিৰত ভাগ ল'ব।

oooooo

আজি কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্ব খনিকৰ বিশ্বকৰ্মা পূজা উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে পূজাৰ আয়োজন কৰা বাতৰিটো দৈনিক অসম, অসমীয়া প্ৰতিদিন, অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

যোৱা দেওবাৰে অনুষ্ঠিত হৈ যোৱা অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা এ ডি আৰ ইৰ তৃতীয়বৰ্গৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হোৱাৰ বাতৰিটো আমাৰ অসম, দৈনিক অগ্ৰদূত, দৈনিক জনমভূমি, অসমীয়া খবৰকে আদি কৰি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। আমাৰ অসমৰ শিৰোনাম **প্ৰশ্নকাকত ভাইৰেল, প্ৰাৰ্থীক হাৰাশাস্তি, জৰ্জৰিত চৰকাৰ**।

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে পদত্যাগ কৰা বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ ৪৭টা জনজাতিয় অধ্যুষিত অঞ্চলৰ প্ৰায় ৫ লাখ বিঘা ভূমি বেদখলকাৰীৰ অধীনত থকাৰ বাতৰিটো দ্যা ছেণ্টিনেল কাকতে Encroachment : Why no action by authorities from the Start? শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা চলিত বৰ্ষত হ'বলগীয়া মাৰ্কিন ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ৰিপাব্লিকান প্ৰাৰ্থী ড'নাল্ড ট্ৰাম্পক পুনৰ হত্যাৰ চেষ্টা চলোৱা বাতৰিটো দি আছাম ট্ৰিবিউন কাততে Donald Trump safe after failed assassination bid শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অনলাইন ট্ৰেডিং কেলেংকাৰীৰ গোচৰত অভিযুক্ত চুমি বৰা, তাৰ্কিক বৰা, বিশালৰ বিৰুদ্ধে ডিব্ৰুগড়ত চাৰিটাকৈ নতুন গোচৰ ৰুজু কৰা বাতৰিটোক নিয়মীয়া বাৰ্তা, দৈনিক অগ্ৰদূত আদিকে ধৰি প্ৰায় কেইখন বাতৰিকাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – উত্তৰ গুৱাহাটীত নিৰ্মাণ কাৰ্য চলাই থকা প্ৰতিষ্ঠানক জৰিমনাৰ নিৰ্দেশ সেউজ ন্যায়াধীকৰণৰ, পলাশবাৰীত ছেটেলাইট ছিটীৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ, মমতা বেনাৰ্জীৰ সৈতে বৈঠক প্ৰতিবাদী চিকিৎসকৰ, দাম বৃদ্ধিৰ সৰ্বগ্ৰাসী জুইত দগ্ধ ৰাজ্যৰ নাগৰিক ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত